# কুৰুক্ষেত্ৰ ৰণত শ্ৰীকৃষ্ণৰ ভূমিকা

ড° অঞ্জনা চলিহা

ভাৰতবৰ্ষৰ সভ্যতা-সংস্কৃতিৰ উত্থানৰ অমৰ সাক্ষৰ বহন কৰিছে মহাকাব্য মহাভাৰতে। মহাভাৰত সম্পৰ্কে এষাৰ কথা আছে এইদৰে—

*"আচুক্ষ্যু কবয়ঃ কেচিৎ সম্প্ৰাতি আচক্ষতে পৰে।*

*আখ্যাস্যন্তি তথৈবান্যে ইতিহাসং ইমং ভূবিঃ।।*

—আগতে কোনো কোনো কবিয়ে ইয়াক কৈছিল, বৰ্তমান কোনো কোনোৱে কৈ আছে, আৰু ভৱিষ্যতেও পৃথিৱীত কোনোবাই এই ইতিহাস ক'ব।"

মহাভাৰত ৰচয়িতাজনে নিজে কোৱা এষাৰ কথা, *"ধৰ্মে চ অৰ্থে চ কামে চ মোক্ষেচ ভৰতৰ্ষভঃ যৎ ইহাস্তি তৎ অন্যত্ৰ, যৎ ন ইহাহস্তি তৎ ন কুত্ৰচিৎ।"* ধৰ্ম, অৰ্থ, কাম, মোক্ষ (এই চতুবৰ্গ সাধন সম্পৰ্কীয়)ৰ যি কথা এই শাস্ত্ৰত আছে, হে ভাৰতশ্ৰেষ্ঠ, তাক অন্যত পাবা, কিন্তু যি ইয়াত নাই সি অন্যত নাই—

গীতাৰ বক্তা ভগৱান শ্ৰীকৃষ্ণই মহাকাব্য মহাভাৰতৰ কৃষ্ণ। কিন্তু সেই কথাত পণ্ডিতসকলৰ মাজত যথেষ্ট তৰ্ক দেখা যায়। বহুতেই গীতাক মহাভাৰতৰ অবিচ্ছেদ্য অংগ বুলি ক'বই নোখোজে। তেখেতসকলৰ মতে মূল মহাভাৰতে গঢ় লোৱাৰ বহুত পিচত গীতাৰ অন্তৰ্ভুক্তি তাত ঘটিছে। গীতা এখন সুকীয়া স্বতন্ত্ৰ শাস্ত্ৰ। এনে সিদ্ধান্তৰ সমৰ্থনত যথেষ্ট সবল যুক্তিকে পোৱা যায়। যিহেতুকে ইমান উচ্চ-আধ্যাত্মিক শিক্ষাৰ ধৰ্ম আৰু দৰ্শনৰ গ্ৰন্থ এখন এনে সৈন্যসমাৰেশৰ কোলাহলৰ মাজত ৰচিত হ'ব পৰাটো সম্ভৱ নহ'ব, ভাৰতবৰ্ষত তেনে অন্য তত্বগধুৰ ধৰ্মদৰ্শনৰ গ্ৰন্থসমূহ ৰচিত হৈছিল ঋষিসকলৰ নিৰ্জন তপোবনতহে। তদুপৰি মহাভাৰতে বৰ্তমান একলাখ শ্লোকৰ আয়তন কেইবাবাৰো পৰিৱৰ্তন, পৰিবৰ্দ্ধন আদি ঘটাৰ পিচতহে পাইছে, আদিতে ২৪০০০ শ্লোক হে আছিল, ইত্যাদি কথাইও গীতা মহাভাৰতৰ পৰা বেলেগ বুলি কোৱা কথাৰ সমৰ্থন দিয়ে। সেইদৰে মহাভাৰতৰ মূল কাহিনীভাগ বহুতেই ৰূপক বুলিহে ক'ব খোজে। সেইবিলাক কথাকে আমি যুক্তিৰ খাটিৰত সত্য বুলি মানিব পাৰো, কুৰুক্ষেত্ৰ সমৰৰ ঐতিহাসিক সত্যতাকো অস্বীকাৰ কৰিব পাৰোঁ, কিন্তু এটা কথা ক'ব খোজোঁ যে গীতাই

দিয়া শিক্ষাৰ ৰূপায়ণকে মহাকাব্যখনে দেখুৱাইছে। নানান আখ্যান উপাখ্যানেৰে মহাভাৰতে গীতাৰ তত্ববোৰৰে ব্যাখ্যা দিছে, সেই কথাৰ উপলব্ধিও কোনো কোনো পণ্ডিতে কৰিছে আৰু আমাৰ উপলব্ধিও তেনেধৰণৰে অৰ্থাৎ গীতাৰ বাৰ্তাৰ ৰূপান্তৰ ঘটিছে মহাভাৰতত। মহাভাৰতৰ পটভূমি বাদ দিলে গীতাৰ কথা দুৰ্বোধ্য হ'ব।

গীতাত শ্ৰীকৃষ্ণই কোৱা বহু শ্লোকৰে উদ্ধৃতি যুগ যুগ ধৰি গ্ৰন্থবোৰে ধৰি ৰখাৰ মাজত বিশেষ এটা শ্লোকে এই উদ্ধৃতিৰ ক্ষেত্ৰত সংখ্যাধিক্য পাব- সেইটো হৈছে চতুৰ্থ অধ্যায়ৰ—

*যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভবতি ভাৰত*
*অভ্যুত্থানম্, অধৰ্মস্য তদাত্মানং সৃজাম্যহম্।*
*পৰিত্ৰাণায় সাধুনাম্ বিনাশায় দুস্কৃতাম্*
*ধৰ্ম সংস্থাপনাৰ্থায় সম্ভবামি যুগে যাগে।।"*

এই শ্লোকতে যেন শ্ৰীকৃষ্ণই কৈ দিছিল - কি হ'ব যুদ্ধৰ পৰিণতি। ধৰ্মৰ প্ৰতীক পাণ্ডৱসকলৰ জয় হ'ব আৰু অধৰ্মৰ প্ৰতীক কৌৰৱসকলৰ পৰাজয় নিশ্চিত। মহাকাব্যখনে এই বাৰ্তাৰ ৰূপায়ণ দেখুওৱাৰ উপৰিও গীতাৰ বহু গুৰুত্বপূৰ্ণ কথা বা প্ৰত্যয়ৰ প্ৰয়োগ বাৰম্বাৰ দেখুৱায়। ৰণৰ শেষলৈ বিজেতাসকলে যুদ্ধজয়ৰ আনন্দ উৎসৱ দেখুওৱাৰ পৰিৱৰ্তে বৈৰাগ্য বা "নিষ্কামকৰ্ম"ৰ আদৰ্শহে দেখুৱালে। ৰণজয়তে কাহিনীৰ সামৰণি নঘটাই মহৰ্ষিজনে কথা আৰু পিচলৈ বহুত টানিছে, আৰু ইমান ঘোৰতৰ যুদ্ধৰ বৰ্ণনা থকা শাস্ত্ৰখনৰ ফল "শান্তিপৰ্ব" বুলিছে, অৰ্থাৎ শাস্ত্ৰখনে যুদ্ধ শিকোৱাৰ পৰিৱৰ্তে শান্তিৰ বাৰ্তাহে বিলাইছে। তাকে বুজিব নোৱাৰি অৰ্জুনে কৃষ্ণক গীতাত সুধিছিল, "লক্ষ্য যদি পৰা শান্তি, তেনেহ'লে মোক কিয় এই ঘোৰকৰ্মত নমাব খুজিছা?" পাণ্ডৱপক্ষৰ প্ৰধান নায়ক যুধিষ্ঠিৰক ৰাজ্যলাভৰ পিচত পিচলৈ নিষ্কামকৰ্মৰ আদৰ্শৰে চালিত হোৱা পোৱা যায়—স্বৰ্গাৰোহণৰ সময়ত তেওঁ হৈ পৰিছিল গীতাৰ দ্বিতীয় অধ্যায়ৰ সেই "স্থিতপ্ৰজ্ঞ"জন—"সুখেষু বিগতস্পৃহ, দুঃখেষু অনুদ্বিগ্নমনা"। গীতাৰ অন্য এক শিক্ষা "স্বধৰ্ম", মহাকাব্যখনৰ বহুজন নায়কৰ মুখতে শুনা যায়। ভীষ্মৰ মুখত শুনা গ'ল যেতিয়া পৰশুৰামে ভীষ্মক কৈছিল কাশী ৰাজকন্যা অম্বাক বিয়া কৰাবলৈ, ভীষ্মই কৈছিল যে স্বৰ্গৰ ৰজা ইন্দ্ৰ আহি ক'লেও তেওঁ "স্বধৰ্ম"ৰ পৰা আঁতৰিব নোৱাৰে। ভীষ্মৰ বাবে ইয়াত স্বধৰ্ম হ'ল তেওঁ চিৰকুমাৰ হৈ থকাৰ প্ৰতিজ্ঞা পূৰণ কৰা।

"স্বধৰ্ম"ৰ কথা ধৰ্মব্যাধ, ৰজা জৰাসন্ধ আদিৰ মুখতো শুনা যায় যে তেওঁলোকে স্বধৰ্ম পালন কৰি আছে, একো অধৰ্ম কৰা নাই।

সেইদৰে গীতাত বৰ্ণ ধৰ্মই এক বেলেগ অৰ্থব্যঞ্জনা লাভ কৰিছে। কৃষ্ণই কৈছিল,



"চাতুৰ্বৰ্ণং ময়াসৃষ্টং গুণকৰ্ম বিভাগসঃ"—বৰ্ণ ইয়াত জন্ম ভিত্তিক নহয়, গুণ আৰু কৰ্মভিত্তিকহে। এই কথাষাৰৰ ব্যাখ্যা আমি যুধিষ্ঠিৰৰ মুখত শুনো অজগৰ (নহুচ) যুধিষ্ঠিৰৰ সংবাদত য'ত যুধিষ্ঠিৰে "জন্মতে ব্ৰাহ্মণ নহয়, গুণৰ দ্বাৰাহে হয়" কথাষাৰৰ সম্পৰ্কে কৈছে।

অৰ্জুনৰ ৰথৰ সাৰথিজন ঈশ্বৰ নহয় মানুহহে বুলিও হয়তো বহুতেই ক'ব। বংকিমচন্দ্ৰইও তেওঁৰ "কৃষ্ণচৰিত্ৰ"ত কৃষ্ণৰ ঈশ্বৰত্ব অস্বীকাৰ কৰি তেওঁক এজন "আদৰ্শ মানুহ" বুলিহে কৈছে। কুৰুক্ষেত্ৰৰণত কৃষ্ণৰ ভূমিকা অকল যুদ্ধৰ বৰ্ণনা থকা পৰ্বকেইটাতে সীমিত নহয়, আগৰ পৰা পিচলৈকে আছে। অৱশ্যে কৃষ্ণৰ আগজীৱনৰ কথা মহাভাৰতত নাই। ভীষ্ম, দ্ৰোণ, কৰ্ণ, কৌৰৱ, পাণ্ডৱসকলৰ জন্মৰ কথা, শিশুকালৰ কথা থকাৰ দৰে কৃষ্ণৰ সেই মাধুৰ্য্যভৰা গকুল-বৃন্দাবনৰ লীলা মহাভাৰতত বৰ্ণিত হোৱা নাই। প্ৰথম তেওঁক দেখা পোৱা গৈছে পাঞ্চালৰাজ্যত, দ্ৰুপদ নন্দিনীৰ স্বয়ম্বৰ সভাত আৰু জনা গ'ল তালৈ কৃষ্ণ আৰু বলোৰাম পঞ্চপাণ্ডৱক লগ পোৱাৰ আশাৰেই গৈছিল। অৰ্জুনে লক্ষ্যভেদ কৰি দ্ৰৌপদীক লাভ কৰাৰ পিছত হোৱা ৰজাসকলৰ লগত বিবাদৰ কৃষ্ণই মধ্যস্থতা কৰি মিতমাত কৰায়, পেহীয়েক কুন্তীক দেখা কৰি দ্বাৰকালৈ যায়গৈ। পঞ্চপতিৰ লগত দ্ৰৌপদীৰ ভাগ বটোৱাৰা আদিত তেওঁ উপস্থিত নাছিল। কিন্তু সভাপৰ্বত কৃষ্ণ, যুধিষ্ঠিৰ, অৰ্জুন আদিৰ বাবে অপৰিহাৰ্য হৈ পৰিছে।

মহাকাব্যখনৰ নায়কসকলৰ ভিতৰত দুৰ্যোধন বুলিলেই নিন্দনীয়, যুধিষ্ঠিৰ বুলিলেই প্ৰশংসনীয়, আৰু কৃষ্ণক পোৱা গ'ল সদায় তেওঁৰ লগত মহিমা কীৰ্তন জড়িত হৈ থকা। কুৰুক্ষেত্ৰ ৰণত অৰ্জুনৰ ৰথৰ সাৰথিজনে পালন কৰা ভূমিকাৰ লগত তেওঁ গীতাত দিয়া উপদেশৰ সংগতি নাই বুলি কিন্তু ক'ব নোৱাৰি। মহাকাব্যখনৰ সামগ্ৰিক শিক্ষাই হৈছে ইন্দ্ৰিয়সম্ভোগ বা পাৰ্থিৱ সুখৰ প্ৰতি অনাসক্তিৰে, মানসিক সাম্যাৱস্থাৰ এক উচ্চতৰ স্তৰলৈ আৰোহণ কৰা। মহাভাৰতৰ কিছুমান আখ্যান উপাখ্যানে যে গীতাৰ তত্বকে ব্যাখ্যা কৰিছে তাত সন্দেহ নাই। চতুৰ্থ অধ্যায়ৰ ১১ নং শ্লোকত কৈছে,

*"যে যথা মা প্ৰপদ্যন্তে তং তথৈব ভজামি অহম্।*
*মম বৰ্ত্মানুৱৰ্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্বশঃ।।"*

অৰ্থাৎ, "যি মোক যেনেকৈ ভাৱে তেওঁক-মই তেনেদৰেই গ্ৰহণ কৰো, সকলো দিশতে মানুহে মোৰ পথকেই অনুসৰণ কৰে।" মহাকাব্যখনত দেখা গ'ল- কুন্তী, অৰ্জুন, বিদুৰ, দ্ৰৌপদী আদিয়ে মিত্ৰভাৱে বিচৰা কৃষ্ণ সদায় তেওঁলোকৰ মিত্ৰ হৈ থাকিল আৰু দুৰ্যোধন, শিশুপালহঁতে শত্ৰুতাৰ ভাৱেৰে লৈ তেনে প্ৰত্যুত্তৰেই পালে। এনেই অৰ্জুনৰ দৰেই শিশুপালো আছিল কৃষ্ণৰ পেহীয়েকৰ পুতেক ভাই। যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত

ভীষ্ম যুধিষ্ঠিৰ আদিয়ে কৃষ্ণক প্ৰথম অৰ্ঘ্য দিওৱা কথাটোত শিশুপালে ঘোৰ প্ৰতিবাদ কৰি কৃষ্ণক বহুত ককৰ্থনা কৰিছিল। কৃষ্ণই তেওঁক বধ কৰি যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ সম্পাদন নিষ্কণ্টক কৰে। সেইদৰে কৃষ্ণই তেওঁৰ লগত আগৰে পৰা শত্ৰুতা কৰি থকা মগধৰাজ জৰাসন্ধক ছল কৰি ভীমৰ দ্বাৰা বধ কৰায়। জৰাসন্ধই শিৱপূজাত বলি দিবলৈ বন্দী কৰি থোৱা ৮৬ জন ৰজাক মুকলি কৰি দিয়ে। সেই ৰজাসকল নিজ নিজ ৰাজ্যলৈ উলটি গৈ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞলৈ পাৰ্থমানে সহায় আগবঢ়ায়। শ্ৰীকৃষ্ণই তেওঁৰ মিত্ৰ পাণ্ডৱশ্ৰেষ্ঠ জ্যেষ্ঠজন যুধিষ্ঠিৰক ৰাজাধিৰাজ পতাৰ কামতো গীতাৰ বাণীৰে সাৰ্থকতা দেখুৱাইছিল। অৰ্জুনে গীতাত "শিষ্যস্তেহহম্ সাধি মাং তাং প্ৰপন্নম" বুলি কৃষ্ণত শৰণ লৈ যেতিয়াই তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিলে তেতিয়া অৰ্জুনক সকলো পাপৰ পৰা ৰক্ষা কৰাৰ দায়িত্বও কৃষ্ণই ল'লে।

মহাভাৰতৰ মোক্ষধৰ্মৰ নাৰায়ণীয় খণ্ডত আকৌ গীতাৰ সাৰাংশ আছে য'ত নাৰায়ণে নাৰদক দিয়া উপদেশৰ কথা পাওঁ, যিখিনি নাৰদে ব্যাসক দিছিল। গীতাৰ—

*"ইমং বিৱস্বতে যোগং প্ৰোক্তবান অহম্ অব্যয়ম্।*
*বিৱস্বান মনবে প্ৰাহু মনুৰিক্ষাকৱেহব্ৰৱীৎ।।"* IV ১

ভগৱানে বিৱস্বতক, বিৱস্বতে মনুক, মনুৱে ইক্ষাকুক কোৱা এই যোগৰ ধাৰাটো নাৰায়ণীয় খণ্ডত আৰু অলপ দীঘলকৈ টনা আছে। তদুপৰি ভীষ্মই দুৰ্যোধনৰ আগত কৃষ্ণৰ মহিমাকীৰ্তন কৰোতেও আমি গীতাৰ কৃষ্ণকে দেখা পাওঁ।

যুদ্ধ নিশ্চিত বুলি জানি অৰ্জুন কৃষ্ণৰ সহায় ল'বলৈ দ্বাৰকালৈ গৈছিল। গৈ দেখে দুৰ্যোধন একে উদ্দেশ্যতে আগতেই গৈ শয্যাত নিদ্ৰিত কৃষ্ণৰ মূৰৰ শিতানত আসন এখনত বহি আছে। অৰ্জুন গৈ বহে কৃষ্ণৰ ভৰি পথানত। কৃষ্ণৰ নিদ্ৰাও আছিল আচলতে কপট নিদ্ৰাহে, টোপনিৰ ভাও ধৰিছিল, স্বাভাৱিকতে সাৰ পালে প্ৰথমে ভৰিৰ ফালে থকাজনক দেখিব। অৰ্জুনক দেখি মাত লগায়। কথা পাতোতে দুৰ্যোধনেও নিজৰ উপস্থিতিৰ জাননী দি মাত লগায় যে তেওঁ অৰ্জুনতকৈ আগতেই আহি বহি আছে, আৰু অহাৰ উদ্দেশ্য দুয়োজনে কয়। কৃষ্ণই কয় যে যিহেতুকে অৰ্জুন কনিষ্ঠ সেয়ে তেওঁ প্ৰথমে অৰ্জুনক নিৰ্বাচনৰ সুবিধা দি সুধিব, এক পক্ষই পাব সাত অক্ষৌহিনী নাৰায়ণী সেনা আৰু আনপক্ষই পাব অস্ত্ৰহীন কৃষ্ণক। যুদ্ধত তেওঁ অস্ত্ৰ নধৰে বুলি সংকল্প লৈছে।

অৰ্জুনে ক'লে, "মোক তোমাকহে লাগে" আৰু নাৰায়ণী সেনা পালে দুৰ্যোধনে। দুৰ্যোধন অতি সন্তোষেৰে উলটিল, অৰ্জুনৰ মূৰ্খামি দেখি তেওঁ অধিক সন্তুষ্ট।

ইয়াৰ আগতেও কিছুমান ঘটনাত শ্ৰীকৃষ্ণৰ যুদ্ধসম্পৰ্কীয় ভূমিকাৰ কথা পোৱা যায়। বাৰবছৰ বনবাসত পাণ্ডৱসকল থাকোতে কৃষ্ণ পাণ্ডৱ শিবিৰ ওলাইছিলগৈ আৰু



তেওঁলোকক উলটি গৈ যুদ্ধ কৰিব লগা হ'লে কৰিব লগা কামৰ কিছুমান প্ৰস্তুতি শিকাইছিল। তাৰ মাজতে এবাৰ দুৰ্যোধনে চক্ৰান্ত কৰি দুৰ্বাসা ঋষিক সশিষ্যে পাণ্ডৱৰ আতিথ্য গ্ৰহণৰ বাবে পঠাইছিল, ভাবিছিল আতিথ্য দিব নোৱাৰি দুৰ্বাসাৰ শাপত পাণ্ডৱ নিৰ্মূল হ'লে যুদ্ধ নকৰাকৈয়ে তেওঁ নিষ্কণ্টক হ'ব। যুধিষ্ঠিৰৰ উপাসনাত সন্তুষ্ট হৈ সূৰ্যই দ্ৰৌপদীক দিয়া অক্ষয় ৰন্ধন পাত্ৰৰ আহাৰে সহস্ৰজনক খুৱাব পাৰিলেও দ্ৰৌপদীয়ে খোৱাৰ পিছত আৰু নোৱাৰে। সেই কথা জানি দুৰ্যোধনে দুৰ্বাসাক পলমকৈ যাবলৈ কৈছিল যাতে দ্ৰৌপদীয়ে খোৱাৰ পিচত অতিথি শুশ্ৰূষা কৰিবলৈ অসমৰ্থ অৱস্থাত অগ্নিশৰ্মা ভোকাতুৰ ঋষিজন পায়গৈ। দুৰ্বাসা আহিব বুলি খবৰ পাই যুধিষ্ঠিৰ, দ্ৰৌপদীয়ে কৃষ্ণক স্মৰণ কৰে আৰু কৃষ্ণ গৈ দ্ৰৌপদীৰ চৰুৰ অৱশিষ্ট অন্নৰ খুদ কণ খাই ভোক গুচাৰ উগাৰ মাৰিলত সিফালে দুৰ্বাসাৰো সশিষ্যে উদৰ পূৰণ হয়। আহাৰৰ আৰু প্ৰয়োজন নাই বুলি পাণ্ডৱ শিবিৰলৈ নাহিল। তেতিয়াও শ্ৰীকৃষ্ণই তেওঁৰ অলৌকিক মহিমাৰে ভক্ত পাণ্ডৱকে ৰক্ষা কৰে।

গীতাৰ আন এষাৰ কথা—

*"ত্ৰিবিধং নৰকস্যইদং দ্বাৰং নাশনমাত্মন।*
*কামঃ ক্ৰোধস্তথা লোভস্তস্মাদেতত্ৰয়ং ত্যজেৎ।।"*

কাম, ক্ৰোধ, লোভক নৰকৰ দুৱাৰ বুলিছে, ৰজোগুণৰ সন্ততি বুলিছে, মহাভাৰতেও তেনে কথাই শিকাইছে, বনপৰ্বত যুধিষ্ঠিৰে দ্ৰৌপদীক কৈছে—

*"ক্ৰোধে পাপ, ক্ৰোধে তাপ, ক্ৰোধে কুলক্ষয়।*
*ক্ৰোধে সৰ্বনাশ হয় ক্ৰোধে অপচয়।।*
*জপ-তপ সন্যাস ক্ৰোধীৰ অকাৰণ।*
*ৰজোগুণে ক্ৰোধী বিধি কৰিল সৃজন।।*

(কাশীদাসী মহাভাৰত, ৩৯০ পৃষ্ঠা, অক্ষয় লাইব্ৰেৰী,
বেণী মাধৱ শীল সম্পাদিত, ১৩৯৩ সাল)

পাণ্ডৱসকলৰ বাৰবছৰ বনবাসৰ পিচত অজ্ঞাতবাসৰ বছৰটো বিৰাটৰজাৰ ঘৰত পাৰ কৰোতেও কৃষ্ণ তালৈ গৈছিল, কৃষ্ণৰ ভাগিন, অৰ্জুনৰ পুত্ৰ, অভিমন্যুৰ লগত বিৰাট কন্যা উত্তৰাৰ বিবাহ সম্পন্ন কৰে আৰু আলোচনাত অংশগ্ৰহণ কৰি কৃষ্ণই কৌৰৱৰ লগত সন্ধিৰ বাবে দূত পঠোৱাৰ পৰামৰ্শ আগবঢ়ায়। পাণ্ডৱৰ ন্যায্য প্ৰাপ্তি অৰ্দ্ধৰাজ্য দি দিলে আৰু মিছাতে যুদ্ধৰ প্ৰয়োজন নাই। দ্ৰুপদ ৰজাৰ পুৰোহিত গৈছিল সেই প্ৰস্তাৱ লৈ, কিন্তু দুৰ্যোধনে নামানিলে। তাৰ পিছত কৃষ্ণই আকৌ নিজে দূত হৈ যাবলৈ ওলাল। যুধিষ্ঠিৰে ভাল নাপাইছিল, কৃষ্ণক কিজানি অধৰ্মী দুৰ্যোধনহঁতে অপমান কৰে বুলি।

কিন্তু কৃষ্ণই কৈছিল যে ভৱিষ্যতৰ মানুহে কিজানি মোকেই দোষ দিয়ে, কৃষ্ণ থাকিও কিয় যুদ্ধখন বন্ধ কৰিববলৈ চেষ্টা নকৰিলে বুলি। এইখিনিতে কৃষ্ণচৰিত্ৰৰ এটা দিশ মনলৈ আহিছে যে সৰ্বশক্তিমান হৈও তেওঁ লোককলংকৰ কথাটোৰ পৰা আঁতৰি থাকিবলৈ চায়। স্যামন্তহৰণ কীৰ্ত্তনতো সত্ৰাজিতে তেওঁৰ স্যামন্ত মণি হৰণ কৰাৰ কলংক দিয়াত সেই কথা যে মিছা তাক দেখুৱাবলৈ মণি বিচাৰি আনিছিল।

যুধিষ্ঠিৰে ক'লে, "যোৱা যদি, আমাক অৰ্ধৰাজ্য নিদিলে পাঁচখন গাঁও দিলেই হ'ব বুলি ক'বা।" সেইদৰে কৃষ্ণই গৈ কৈছিল আৰু দাম্ভিক দুৰ্যোধনে পাঁচখন গাঁওহে নালাগে বেজীৰ আগৰ মাটিও নিদিও বুলি ক'লে। কৃষ্ণক বন্দী কৰিবলৈকে চক্ৰান্ত কৰিছিল। গীতাত বিশ্বৰূপ দেখুওৱাৰ দৰে এইবাৰো তেওঁ অলৌকিক ঐশ্বৰ্য্য প্ৰকাশ কৰি দেখুৱালে যি ৰূপ আনকি অন্ধৰজাইও দেখা পাইছিল।

কৃষ্ণ উলটি গৈ পাণ্ডৱসকলক যুদ্ধ যাত্ৰালৈ সাজু হ'বলৈ কৈ দ্বাৰকালৈ যায় আৰু সময়ত যদুবংশৰ সাত্যকী আদি ভালেকেইজন বীৰেৰে সৈতে আহি কুৰুক্ষেত্ৰ পায়হি। শ্ৰীকৃষ্ণ অৰ্জুনৰ ৰথৰ সাৰথি হ'ল আৰু পাণ্ডৱসকলে গম পালে যে কৌৰৱৰ সেনাপতি হ'ব অশ্বত্থামা। ভীষ্ম আৰু দ্ৰোণৰ অৰ্জুনৰ প্ৰতি বিশেষ স্নেহ আছে বুলি সেনাপতিৰূপে ল'বলৈ দুৰ্যোধনে তেওঁলোকৰ আনুগত্যত সন্দেহ কৰিছিল আৰু দ্ৰোণাচাৰ্যৰ পুত্ৰ অশ্বত্থামা, যিজন চিৰঞ্জীৱি বুলি খ্যাত, তেওঁকে সেনাপতি পাতে। সেই কথা শুনি যুধিষ্ঠিৰ বিষণ্ণ হৈ পৰিছিল, মৃত্যুহীন সেনাপতিয়ে কৌৰৱৰ জয় নিশ্চিত কৰিব বুলি। সেই কথা শুনি শ্ৰীকৃষ্ণই যুধিষ্ঠিৰক নিশ্চিন্ত থাকিবলৈ কৈ অৰ্জুনক লগত লৈ বিনা অস্ত্ৰে এপাক কৌৰৱ শিবিৰৰ পৰা আহিব খুজিলে। যুধিষ্ঠিৰৰ অনুমতি লৈ গৈ কৌৰৱ শিবিৰত মাজৰাতি সোমাই গ'ল আৰু তাত ক'লৈগৈ যে মোক যুধিষ্ঠিৰে আকৌ পঠাইছে, যুদ্ধ বন্ধ কৰি দুই পৰিয়ালৰ সকলোটি মিলাপ্ৰীতিৰে থাকিব লাগে আৰু অশ্বত্থামাক লগে লগেই মাতি আনি, "যুধিষ্ঠিৰে কি কৈছে তুমি মন দি শুনা", বুলি তেওঁৰ হাতত ধৰি কাণত ফুচফুচাই ক'লে, "ধানত চাউল থাকে পতানত কি থাকে কোৱা, অন্নই সকলোকে জীয়াই ৰাখে।" আকৌ মূৰ দাঙি ভীষ্মলৈ চাই ক'লে, "মই দূত হৈ আহিছোঁ, দুয়ো ঘৰে মিত্ৰতাৰে থাকিব লাগে।" আকৌ অশ্বত্থামাক আলিংগন কৰি কাণে কাণে ফুচফুচাই ক'লে, "ধানত চাউল থাকে, পতানত একো নাই, অন্নই সকলো।" লগে লগে মূৰ তুলি দুৰ্যোধনক ক'লে, "ৰাজ্য দিবা বুলিয়েই আমি দুজন আহিছিলোঁ, দিব নোৱাৰিলে আৰু কি কৰিবা, যুদ্ধই হ'ব।" আকৌ অশ্বত্থামাক চাপৰি গৈ কাণত মুখ লগাই ক'লে আগৰ সেই ধান আৰু পতানৰ কথাষাৰ—"ধানত চাউল থাকে বুলিয়েই সকলোৱে জানে, পতানত কি আছে সেইটো কিয় নোকোৱা, বাৰু যাওঁ" বুলি কৃষ্ণ,



অৰ্জুন যাবলৈ ওলাল, দুৰ্যোধনে ক'লে, "ধৰ্মৰাজক কোৱাগৈ প্ৰভাততে যুদ্ধ হ'ব। দুইজন যোৱাৰ পিচত দুৰ্যোধনে অশ্বত্থামাক খুবকৈ সোধে, কাণে কাণে কৃষ্ণই কি কৈছিল। অশ্বত্থামাই কৃষ্ণই কোৱা কথাষাৰ ক'লত দুৰ্যোধনে কোনোমতেই বিশ্বাস নকৰি অতি বেয়া শব্দেৰে ককৰ্থনা কৰে, এই কপটীয়া ব্ৰাহ্মণ সেনাপতিৰ যোগ্য নহয়, ই কথা লুকুৱাইছে, শত্ৰু পক্ষৰ লগত মিতিৰালি কৰিছে ইত্যাদি বুলি তেওঁক সেনাপতি ভাঙি দলে বলে গৈ ভীষ্মক সেনাপতি বৰণ কৰে। এইদৰে এক সামান্য কামেৰেই কৃষ্ণই দুৰ্যোধনৰ মনত সন্দেহৰ বীজ সুমাই দি যুধিষ্ঠিৰৰ শংকা দূৰ কৰি অমৰ বীৰজনক সেনাপতি ভাঙিলে। কৃষ্ণক ঈশ্বৰ বুলি নমনা সকলেও এই প্ৰসংগত তেওঁৰ বিচক্ষণতাক মানিবই লাগিব, ৰাজনীতি দক্ষ, কূটনীতিজ্ঞ, চতুৰ ব্যক্তিজন আছিল এজন মনস্তত্ববিদ যি ভালদৰেই জানিছিল যে ব্যক্তি এজনৰ মিত্ৰৰ লগত যদি শত্ৰু পক্ষই হলিগলি কৰে বা গোপনে কথা পাতে তেতিয়া সেই ব্যক্তিৰ মিত্ৰতাত ই পক্ষৰ সন্দেহ হ'বই।

পিচদিনা ভীষ্মৰ সেনাপতিত্বত কৌৰৱ পক্ষৰ লগত ৰণ দিবলৈ অহা মহাৰথী অৰ্জুনৰ ৰথৰ সাৰথিৰ ভূমিকাত শ্ৰীকৃষ্ণক দেখা গ'ল।

অৰ্জুনে কৃষ্ণক ৰথখন দুইপক্ষৰ মাজত ৰাখিবলৈ কৈছিল যাতে তেওঁ সমবেত যুঁজাৰুসকলোকে দেখা পায়। কৃষ্ণই সেইমতে অৰ্জুনৰ দৃষ্টিলৈ গোটেই যুদ্ধক্ষেত্ৰখন আনি দিয়ে। অৰ্জুন বিষণ্ণ হৈ যুদ্ধ নকৰো বুলি গাণ্ডীৱ পেলাই দিয়া অৱস্থাতে কৃষ্ণই ভগৱদ্‌গীতাৰ উপদেশেৰে অৰ্জুনক যুদ্ধত অৱতীৰ্ণ হোৱাৰ মানসিকতা আনি দিয়ে। কৃষ্ণই যুদ্ধৰ পৰিৱৰ্তে শান্তিয়েই বিচাৰি আছিল, কিন্তু কাপুৰুষৰ দৰে অন্যায়, অধৰ্ম, সহ্য কৰাও অন্যায় বুলি শিক্ষা দিয়ে। অন্তৰৰ বিশুদ্ধতাৰে ফলাকাংঙ্খ্যা ত্যাগেৰে ক্ষত্ৰিয়ৰ স্বধৰ্ম পালন কৰাৰ উপদেশ দিয়ে।

ইয়াৰ পিছত ওঁঠৰ দিনৰ যুদ্ধত কৃষ্ণক দেখা গ'ল সম্পূৰ্ণ পাণ্ডৱৰ পৰিত্ৰাণকৰ্তাৰ ৰূপত। ককাক ভীষ্মৰ প্ৰতি অন্তৰৰ স্নেহ-ভক্তিৰ দুৰ্বলতাৰে অৰ্জুনে ভীষ্মক বধ কৰাৰ পৰিৱৰ্তে ভীষ্মৰ বীৰত্বত অৰ্জুন বধ হ'ব বুলি আশংকা কৰি, এদিন কৃষ্ণই চক্ৰ লৈ ভীষ্মক আক্ৰমণ কৰিবই খুজিছিল, অৰ্জুনে হাতত থাপ মাৰি ধৰি কৃষ্ণই অস্ত্ৰ নধৰোঁ বোলা সংকল্প সোঁৱৰালে। দুৰ্দান্ত বীৰ গংগাপুত্ৰ ভীষ্ম, যি পৰশুৰামকো পৰাস্ত কৰি থৈছিল, কোনোমতেই নিহত নহ'ব যেন দেখি কৃষ্ণই পৰামৰ্শ দিলে পাণ্ডৱসকলক ভীষ্মৰ মৃত্যু কেনেকৈ হ'ব ভীষ্মকে সুধিবলৈ। ভীষ্মই ক'লে যে নপুংসকৰ আগত তেওঁ অস্ত্ৰ নধৰে। ইতিমধ্যে অম্বাই তেওঁক ভীষ্মই বিয়া নকৰোৱাৰ প্ৰতিশোধ ল'বলৈ তপস্যাৰে দ্বিতীয় জন্মত দ্ৰুপদ ৰজাৰ ঘৰত নপুংসক ৰূপে শিখণ্ডী নামলৈ জন্ম লৈছিল। কৃষ্ণই শিখণ্ডীক আনি ভীষ্মৰ আগত বহুৱায়। ভীষ্মই ধনু শৰ এৰে আৰু সেই সুবিধা গ্ৰহণ

কৰিবলৈ কৃষ্ণই অৰ্জুনক প্ৰৰোচিত কৰি ভীষ্ম বধ কৰায়।

তাৰ পিছত দ্ৰোণ পৰ্বতো দেখা যায়, যেতিয়া কৃষ্ণই দেখিলে যে কৌৰৱ পাণ্ডৱক অস্ত্ৰবিদ্যাৰ শিক্ষাদাতা গুৰুজনক কোনোমতেই পৰাস্ত কৰিব পৰা নাই, ভীম, অৰ্জুনো আন কি মূৰ্চা যোৱাৰ অৱস্থা তেতিয়া শ্ৰীকৃষ্ণই লোৱা ভূমিকা কেনে আছিল? তেওঁ ক'লে,—

"শুনা দ্ৰোণ, আমাৰ বচন—

*অশ্বত্থামা পুত্ৰ তব আজি হয়ে পৰাভৱ*

*ভীম হস্তে হইল নিধন।।*

(পৃঃ ৮২২ কাশীদাসী মহাভাৰত)

দ্ৰোণাচাৰ্য্য অস্থিৰ হৈ পৰে আৰু কয় যে অশ্বত্থামা "চিৰঞ্জিৱী" বুলি জন্মতে ব্যাসে কৈছিল, ব্যাসৰ বচন লৰচৰ হ'ব নোৱাৰে। কৃষ্ণই আকৌ ক'লে যে ভীমে অশ্বত্থামাক বধ কৰিলে, হয় নে নহয় ভীমক সোধা। মই মিছা কোৱা নাই, কৃষ্ণই মিছা কোৱা নাই মানে অশ্বত্থামাক ভীমে মৰাটো সঁচা, কিন্তু সেই অশ্বত্থামা আছিল ৰজা ভগদত্তৰ হাতীৰ নামহে। তেতিয়া দ্ৰোণাচাৰ্যই সত্যবাদী, ধৰ্মৰাজ যুধিষ্ঠিৰক মাতি সেই কথা ক'বলৈ ক'লে, যে আপুনি মিছা ক'ব নালাগে। সঁচা কথাই ক'ব এইদৰে, "অশ্বত্থামা হত ইতি গজ" যুধিষ্ঠিৰে ক'ব নোখোজাত ভীমে কয়গৈ, "মোৰ হাতত আজি অশ্বত্থামা নিহত হ'ল।" দ্ৰোণই কয়, যুধিষ্ঠিৰে ক'লেহে বিশ্বাস কৰিব। কৃষ্ণই যুধিষ্ঠিৰক টানকৈ ক'লে, "অশ্বত্থামা হত ইতি গজ", বুলি ক'লে মিছা কোৱা নহয়, আৰু তেনে নকৰিলে দ্ৰোণৰ হাতত পাণ্ডৱ শেষ হ'ব। যুধিষ্ঠিৰে তেতিয়া সেইদৰে কয়গৈ। দ্ৰোণই কেইবাবাৰো সুধি যুধিষ্ঠিৰৰ পৰা একে উত্তৰ পাই আৰু ইফালে "ইতিগজ" উচ্চাৰণ কৰোতে ভীমে (কৃষ্ণৰ নিৰ্দ্দেশতে) বাৰে বাৰে বাদ্য বজাই দিয়ে, "ইতি গজ" শব্দ দ্ৰোণৰ কাণলৈ নগ'ল। পুত্ৰশোকত দ্ৰোণই কান্দিবলৈ ধৰিলে, চকুৰ পানী ধনুৰ গুণত পৰি সৰ্পৰ আকৃতি লয়, কৃষ্ণই অৰ্জুনক কয়—সেয়া সাপে খুটিব, সাপদাল মাৰা, অৰ্জুনে কাঁড় মাৰে, কাঁড় দ্ৰোণৰ ডিঙিত লাগে, দ্ৰোণ অচেতন হৈ ৰথত পৰি যায় আৰু সেই সুযোগতে দ্ৰুপদপুত্ৰ ধৃষ্টদ্যুম্নই তৰোৱাল লৈ ৰথত উঠি দ্ৰোণৰ শিৰচ্ছেদ কৰে। (দ্ৰোণ আৰু দ্ৰুপদৰ পুৰণিকালৰ শত্ৰুতাতে দ্ৰুপদে যজ্ঞ কৰি দ্ৰোণহন্তা পুত্ৰ কামনা কৰি যজ্ঞস্থলীতে ধৃষ্টদ্যুম্নক লাভ কৰিছিল)।

দ্ৰোণপৰ্বতে কৌৰৱৰ সপ্তৰথীয়ে অভিমন্যুক অন্যায়ভাৱে বধ কৰাৰ প্ৰতিশোধ ল'বলৈ অৰ্জুনে প্ৰতিজ্ঞা কৰিছিল, সপ্তৰথীৰ অন্যতম প্ৰধান ৰূপে শিৱৰ পৰা এদিনৰ বাবে পাণ্ডৱক পৰাস্ত কৰাৰ বৰ লৈ বেহুত ভীম আদিক সোমাবলৈ নিদি বাট বন্ধ কৰি



ৰখা দুৰ্যোধনৰ ভনী জোঁৱাই জয়দ্ৰথক সূৰ্যাস্তৰ আগত বধ কৰাৰ। জয়দ্ৰথ লুকাই আছিল, বেলি মাৰ গ'লে জয়দ্ৰথক বধ কৰিব নোৱাৰিলে অৰ্জুনে আত্মহত্যা কৰিব। তেতিয়াও পাণ্ডৱমিত্ৰ কৃষ্ণই তেওঁক ঐশ্বৰিক মহিমাৰে অসময়তে বেলিটো ঢাকি আন্ধাৰ কৰি দিয়ে। অৰ্জুনৰ আসন্ন মৃত্যু দৰ্শন কৰাৰ আনন্দত জয়দ্ৰথ ওলাই আহে—অৰ্জুনে জয়দ্ৰথক বধ কৰে, কৃষ্ণই ঢাকি থোৱা বেলিটো উলিয়াই দি সূৰ্যাস্তৰ ভ্ৰম আঁতৰ কৰিছিল।

দ্ৰোণৰ মৃত্যুৰ পিছত কৰ্ণ পৰ্ব। কৰ্ণৰ প্ৰতিজ্ঞা- অৰ্জুনক বধ কৰা। কৰ্ণৰ সমান বীৰ নাই- জন্মতে বুকুত অভেদ্য কবচ আৰু কাণত অলৌকিক শক্তিৰ কুণ্ডল আছিল। অৰ্জুনক বধ কৰিবলৈ প্ৰতিজ্ঞা কৰি থোৱা কৰ্ণৰ পৰা অৰ্জুনৰ পিতৃ ইন্দ্ৰ দেৱতাই ইতিমধ্যে কবচ আৰু কুণ্ডল দান ভিক্ষা মাগি নিছিল দাতা কৰ্ণৰ পৰা। কিন্তু কৰ্ণৰ পিতৃ সূৰ্য দেৱতাৰ নিৰ্দেশত কৰ্ণই ইন্দ্ৰৰ পৰা অব্যৰ্থ একঘাতিণী অস্ত্ৰ প্ৰতিদানত লৈছিল। সেই শৰ অৰ্জুন বধৰ বাবে থৈ দিছিল। কিন্তু দ্ৰোণপৰ্বতে কৰ্ণৰ লগত এদিন যুদ্ধ দিবলৈ অৰ্জুনক ৰখাই শ্ৰীকৃষ্ণই ঘটোৎকচক পঠায়। হিড়িম্বা পুত্ৰ ঘটোৎকচৰ দ্বাৰা অলেখ কৌৰৱসেনা নিহত হৈছিল—আৰু উপায়ন্তৰ হৈ কৰ্ণই একঘাতিনি অস্ত্ৰপাত ঘটোৎকচত প্ৰয়োগ কৰে, সেইদৰেই কৃষ্ণই অৰ্জুনক সেই শৰৰ পৰা ৰক্ষা কৰে।

কৰ্ণপৰ্বত দুৰ্দান্ত কৰ্ণৰ আক্ৰমণত এদিন যুধিষ্ঠিৰ তিষ্ঠিব পৰা নাছিল। কৰ্ণই কুন্তীক দিয়া আশ্বাসবাক্য "অৰ্জুনৰ বাহিৰে অন্য পাণ্ডৱক বধ নকৰে"—কথাষাৰৰ বাবে যুধিষ্ঠিৰক প্ৰাণে নামাৰিলে। কৃষ্ণই অৰ্জুনক ক্ষন্তেকলৈ লৈ যায় আহত যুধিষ্ঠিৰক খবৰ কৰিবলৈ। কৰ্ণক তেতিয়াও বধ নকৰাকৈ তেওঁৰ কাষলৈ যোৱা অৰ্জুনক যুধিষ্ঠিৰে তিৰস্কাৰ কৰে, অৰ্জুনৰ গাণ্ডীৱক তিৰস্কাৰ কৰে। নিজ সংকল্প মতে অৰ্জুনে গাণ্ডীৱ নিন্দাকাৰী যুধিষ্ঠিৰৰ শিৰচ্ছেদ কৰিবলৈ উদ্যত হয়। কৃষ্ণই থাপ মাৰি ধৰে। তেতিয়া অৰ্জুনে তেওঁৰ সংকল্পৰ আনটো বিকল্প "আত্মহত্যা" কৰিবলৈ ওলায়। কৃষ্ণই আত্মশ্লাঘা আৰু আত্মহত্যা একে বুলি শিক্ষা দিয়াত অৰ্জুনে আত্মপ্ৰশংসা কৰি ক্ষান্ত হয়। এইদৰে অৰ্জুনৰ সাৰথিজনে সদায় পাণ্ডৱক ৰক্ষা কৰি থাকে। এই প্ৰসংগত দেখা যায় নিজৰ গুণ বখনাৰ সমান পাপ নাই। সেই নৈতিক শিক্ষাও দিয়ে।

কৰ্ণৰ শৰে এবাৰ অৰ্জুনক ভেদি শেষ কৰিব যেন আশংকা কৰি কৃষ্ণই ৰথখন ভৰদি তললৈ নমাই দিয়ে, শৰ ওপৰে ওপৰে গ'লত অৰ্জুন ৰক্ষা পৰে। কৃষ্ণই অৰ্জুনক সময়ৰ শৰ মাৰিবলৈ নিৰ্দেশ দি থাকে। কৰ্ণই অভিশাপ পাই আছিল পৰশুৰামৰ পৰা ব্ৰহ্মাস্ত্ৰ প্ৰয়োগৰ মন্ত্ৰ পাহৰাৰ, ৰথৰ চকা মাটিত পোত যোৱাৰ। অৰ্জুনক ক্ষন্তেক সময় বিচাৰে ৰথৰ চকা তুলি লোৱাৰ, ধৰ্মযুদ্ধৰ নিয়ম মানি চলাৰ-গাণ্ডীৱত দিব্যাস্ত্ৰ সাজু কৰি থোৱা অৰ্জুন ৰ'ব খুজিছিল কৰ্ণৰ অনুৰোধত, কিন্তু কৃষ্ণই আগৰ কৰ্ণহঁতে কৌৰৱ পক্ষৰ পৰা

কৰা সকলো অন্যায় অধৰ্ম সোঁৰৰাই দি অৰ্জুনক সুবিধা গ্ৰহণ কৰিবলৈ তৎপৰ কৰিলে, আৰু অৰ্জুনৰ শৰৰ দ্বাৰা কৰ্ণ বধ হ'ল।

তাৰপিছত এশ কৌৰৱৰ একমাত্ৰ অৱশিষ্ট দুৰ্যোধনক দ্বৈপায়ন হ্ৰদত লুকাই থকাৰ পৰা উপিয়াই আনি বধ কৰা হয়। ভীম দুৰ্যোধনৰ গদাযুদ্ধত কৃষ্ণই সোঁৰৰাই দিয়ে ভীমৰ প্ৰতিজ্ঞা — দুৰ্যোধনৰ উৰুভংগ কৰাৰ। কৃষ্ণৰ প্ৰৰোচনাতে কঁকালৰ তলত নীতি বিৰুদ্ধভাৱে গদাৰে কোবাই ভীমে দুৰ্যোধনক বধ কৰে।

এইদৰে দেখা গ'ল, বহু নীতি বিৰুদ্ধ কামো যুদ্ধত কৃষ্ণই পাণ্ডৱসকলৰ দ্বাৰা কৰালে।

এই গোটেই কুৰুক্ষেত্ৰ যুদ্ধখনত সামগ্ৰিকভাৱে কৃষ্ণই লোৱা ভূমিকা দেখা গ'ল, দুষ্টক দমন আৰু শিষ্টক পালন। যিটো আছিল ভগৱানৰ অৱতৰণৰ মূল উদ্দেশ্য। কিছুমান নীতি বিৰুদ্ধ কাম কৰিও কৃষ্ণই পাণ্ডৱৰ জয় নিশ্চিত কৰাৰ এটা প্ৰধান কথা আছিল, তেওঁ দ্ৰৌপদীৰ ওচৰত কৰি থোৱা সংকল্পৰ যোগেদি বান্ধ খাই থকা কথাটোও। অজ্ঞাতবাসৰ অন্তত উদ্যোগপৰ্বতে আছে মুক্তকেশী দ্ৰৌপদীয়ে খঙে বেজাৰে তেওঁ পাহৰিব নোৱাৰা কুৰুৰাজসভাত পোৱা লাঞ্চনাখিনিৰ কথা কৃষ্ণক কৈছিল আৰু তাৰ প্ৰতিকাৰ একো নহ'ব নেকি বুলি কান্দি কাটি। তেতিয়া কৃষ্ণই তেওঁৰ ভক্তা, সাধ্বী দ্ৰৌপদীৰ আগত এই বুলি সংকল্প লৈছিল যে "তোমাক এনেকৈ লাঞ্চনা কৰা কৌৰৱবিলাক সসৈন্যে সবান্ধৱে মৰি শেষ হ'ব, সিহঁতৰ পত্নীবোৰৰ চকুৰ পানীৰে নৈ বব, আকাশ খহি পৰিলেও, পৃথিৱী ৰসাতলে গ'লেও, হিমালয় লৰচৰ হ'লেও মোৰ কথাৰ লৰচৰ নহয়।" এইষাৰ কৃষ্ণৰ সংকল্পক দেখা পোৱা যায় কুৰুক্ষেত্ৰ ৰণত কৃষ্ণই লোৱা ভূমিকাত এক ভীষণ প্ৰতিজ্ঞাৰূপত যি প্ৰতিজ্ঞা ৰক্ষাৰ বাবে তেওঁৰ আনবোৰ সংকল্প (যুদ্ধত নিজে অস্ত্ৰ নধৰা আদিও) তুচ্ছ হৈ পৰিছিল।

এইখিনিতে আমি মহাকাব্যখনৰ দুই প্ৰধান চৰিত্ৰ কৃষ্ণ আৰু ভীষ্মৰ কথাৰে "সত্য" ৰক্ষাৰ কথাটো অলপ আলোচনা কৰি চাব পাৰোহঁক।

আক্ষৰিক অৰ্থতে সত্য ৰক্ষা কেতিয়াবা নৈতিকভাৱে সুবিবেচিত নহবও পাৰে। যি সত্য কল্যাণপ্ৰদ সেই সত্যহে অনুসৰণ কৰিলে ভাল। কল্যাণৰ লগত যুক্ত হোৱা সত্য (ঠিক আক্ষৰিক কেতিয়াবা নহবও পাৰে) হয় "সেইটোৱেই আচল কথাটো"—ঠিক সেইদৰেই যে সত্য ৰাখিব লাগিব, সেই অৰ্থত দেখো ভীষ্মক, যিজনে পিতাকলৈ বিমাতৃৰূপে সত্যৱতীক আনি দিবলৈ যাওঁতে সত্যৱতীৰ পিতৃ ধীবৰৰজাৰ ওচৰত যি কেইটা প্ৰতিজ্ঞা কৰিছিল সেই কেয়োটা তেওঁ আখৰে আখৰে পালন কৰি থাকিল। বিয়া নকৰাই চিৰকুমাৰ হৈ থাকিল, ৰজা নহ'ল আৰু হস্তিনাপুৰৰ ৰাজসিংহাসনত যেয়েই বহিব তেওঁৰে অনুগত হৈ থকাৰ প্ৰতিশ্ৰুতি তেওঁ ৰক্ষা কৰি থাকিল। পৰিৱেশ পৰিস্থিতিৰ



লগত তেওঁৰ সত্যৰক্ষাৰ পৰিণাম সকলোৰে বাবে কল্যাণপ্ৰদ হ'ব নে নহয় সেইবোৰ তেওঁৰ সত্যৰক্ষাৰ বাহিৰৰ কথা আছিল। ভীষ্মৰ এনে আক্ষৰিক সত্যৰক্ষাৰ বাবেই তেওঁ ভায়েকলৈ ধৰি অনা, অন্যৰ বাগদত্তা কাশীৰাজকন্যা অম্বাৰ দুইকুল হেৰুওৱা অৱস্থা হৈছিল। ভীষ্মই চিৰকুমাৰ হৈ থকাৰ প্ৰতিজ্ঞা নাভাঙিলে আৰু তেওঁ হাতত ধৰি অনা বাবে আগতে বন্দৰস্ত হৈ থকা ৰজা শাল্বই অম্বাক গ্ৰহণ কৰা নাছিল। তেওঁৰ সেই সত্য ৰক্ষাৰ বাবেই কুৰুবংশ ক্ষেত্ৰজ সন্তানৰ যোগেদিহে ৰক্ষা কৰিব লগা হৈছিল। ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু আছিল বিচিত্ৰবীৰ্যৰ ক্ষেত্ৰজ সন্তানহে। হস্তিনাপুৰৰ ৰজাৰ অনুগত হৈ থকাৰ সংকল্প ৰক্ষা কৰি তেওঁ ৰাজসভাত দ্ৰৌপদীৰ লাঞ্চনাৰো নীৰৱ সাক্ষী হৈ ৰৈছিল, ভীষ্মই ৰক্ষা কৰা এনে সত্য হৈছে উকা সত্য, য'ত কল্যাণৰ আদৰ্শ নাই আৰু কল্যাণৰ আদৰ্শযুক্ত থকা সত্যক (বুদ্ধদেৱ বসু, শীতাংসু চক্ৰৱৰ্ত্তী আদি) বহু লিখকে এক বহল অৰ্থৰ সত্য বুলিছে, য'ত "ঋত" নামৰ ঋকবেদৰ আদৰ্শ শব্দটো তেওঁলোকে প্ৰয়োগ কৰিছে। বৈদিক ঋতৰ ৰখীয়া বুলি কৈছিল বৰুণ দেৱতাক আৰু এই পণ্ডিতসকলে মহাভাৰতৰ কৃষ্ণৰ সত্য ৰক্ষাত ঋতৰ কথা দেখা পাইছে।

কৃষ্ণই "যিটো কৰা উচিত, অৰ্থ সত্যত আৰোপ কৰিছিল। প্ৰয়োজন সাপেক্ষে প্ৰচলিত নীতিৰ পৰা ফালৰি কাটি হ'লেও তেওঁ কল্যাণপ্ৰদ সত্য বা ধৰ্ম ৰক্ষা কৰিছে। নৈতিকতাৰ সাধাৰণ আদৰ্শকে সাৰোগত কৰি থাকিলে সদায় হিতসাধন নহবও পাৰে। সেয়ে কিছুমান বিশেষ আদৰ্শ, পৰিস্থিতি বিশেষে তেওঁ গ্ৰহণ কৰিছে, যাক আপদধৰ্ম বুলি কৈছে। মহাভাৰতৰ শান্তিপৰ্বত ভীষ্মৰ মুখতে "আপদধৰ্ম"ৰ কথা শুনা গৈছে যে কিছুমান পৰিস্থিতিত মিছা কোৱা বা মিছাত চলা বাঞ্চনীয়, কিন্তু নিজে তেওঁ সাধাৰণ অৰ্থৰ সত্যৰ পৰা কেতিয়াও বিচলিত হ'বলৈ নাচাইছিল। কিন্তু শ্ৰীকৃষ্ণই ধৰ্ম প্ৰতিষ্ঠাৰ বাবে অধৰ্মীসকলক বিনাশ কৰিবলৈ প্ৰয়োজনহ'লে সত্যৰ পৰা আঁতৰিব লগাও হ'ব পাৰে বুলি আপদধৰ্ম মানিছিল। ৰাজসভাত বিবস্ত্ৰা কৰিব খোজা ভক্তা দ্ৰৌপদীৰ কৃষ্ণক কৰা প্ৰাৰ্থনা তেওঁ পাহৰিব নোৱাৰিছিল। দ্ৰৌপদীৰ ত্ৰাণকৰ্তাৰ ৰূপতেই তেওঁৰ ভূমিকা পালন কৰি গ'ল। কৃষ্ণই এঠাইত কৌশিক নামৰ এজনৰ সত্য কোৱাৰ পৰা হোৱা অহিতকৰ ঘটনাৰ কাহিনী এটাও কৈছিল। কৌশিকে সত্যৰ পৰা কেতিয়াও আঁতৰি নাযাব বুলি সংকল্প লৈছিল। অৰণ্যত কৌশিক বহি থাকোতে এদিন এদল মানুহে ডকাইতৰ পৰা পলাই গৈ হাবিত লুকাই থকা গম পাইছিল। ডকাইতদল আহি কৌশিকক সোধে মানুহ এখিনি অহা তেওঁ দেখিছিল নেকি, কৌশিকে সঁচা কথা কয়, মানুহখিনিয়ে সেই অৰণ্যতে আশ্ৰয় লৈ আছে বুলি। ডকাইতে লগে লগে মানুহখিনি বিচাৰি উলিয়াই হত্যা কৰে— সত্য ৰক্ষক কৌশিক এইদৰে নৰহত্যাৰ কাৰণ হ'ল। এই শিক্ষা শ্ৰীকৃষ্ণই দিয়া।

*(Refelctions and variations on the Mahabharata edt. by TRS Sharma, Sahitya Akademi, 2004, P. 115)*

কৃষ্ণৰ মতে ধৰ্ম অৰ্থত সত্য কি তাক কেৱল বেদাদি শাস্ত্ৰৰ দ্বাৰা জানিব নোৱাৰি, পৰিণাম ভাল দেখুওৱা কামহে হ'ব ধৰ্ম বা সত্যৰ ৰক্ষক।

দুষ্কৃতিকাৰীৰ বিনাশ, সাধুৰ পৰিত্ৰাণৰ লগত তেওঁৰ অৱতৰণৰ উদ্দেশ্য আছিল ধৰ্মসংস্থাপন। শৰশয্যাত বেদনাকৃষ্ট হৈ পৰি থকা আহত ভীষ্ম ইচ্ছামৃত্যু বৰ প্ৰাপ্ত আছিল বাবে উত্তৰায়ণলৈ ৰৈ আছিল মৃত্যুক বৰণ কৰিবলৈ। কৃষ্ণই যুধিষ্ঠিৰক কয় ভীষ্মৰ লগতে বহুখিনি প্ৰাচীন প্ৰজ্ঞাৰ তথা ধৰ্মৰ শিক্ষাৰ বিদায় ঘটিব। সেয়ে তেওঁ ভীষ্মৰ পৰা ৰাজধৰ্ম, সমাজধৰ্ম আদিৰ শিক্ষাখিনি ল'ব লাগে। ৰজাক ভীষ্মৰ কাষলৈ লৈ যায়, ভীষ্মক তেওঁৰ মহিমাৰে শৰাঘাতৰ বেদনাবোৰ নাইকিয়া কৰি দিয়ে আৰু ভীষ্মই যুধিষ্ঠিৰক দিয়া ধৰ্ম শিক্ষাৰেই মহাভাৰতৰ শান্তিপৰ্বৰ বহু ঠাই জুৰি আছে। অৰ্থাৎ গীতাত কোৱা ভগৱানৰ অৱতৰণৰ উদ্দেশ্য পূৰণকে কৃষ্ণই কুৰুক্ষেত্ৰ যুদ্ধৰ ভূমিকাত পালন কৰা দেখা গ'ল— দুষ্কৃতিকাৰীৰ বিনাশ, সাধুৰ পৰিত্ৰাণ আৰু ধৰ্মসংস্থাপন।

0000